**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত দিহিং খামটি খেলপথাৰত কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰিব। ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া প্ৰকল্পটো ২০২৬ চনৰ ছেপ্তেম্বৰ মাহত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। প্ৰধানমন্ত্ৰী পোষণৰ অধীনত সমগ্ৰ শিক্ষা অভিযানৰ দ্বাৰা এই ৰান্ধনিঘৰৰ পৰা কাষৰ বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলক গুণগত, মানসম্পন্ন, পৰিষ্কাৰ আৰু স্বাস্থ্যসন্মত দুপৰীয়াৰ আহাৰ প্ৰদান কৰা হ'ব। শিশুৰ পুষ্টিহীনতা নিৰ্মূল কৰাৰ লক্ষ্যৰে স্থাপন কৰিবলগীয়া এই ৰান্ধনিঘৰে নিয়োগৰো সুযোগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ লগতে ৰন্ধনৰ খাদ্য পৰিকল্পনা বৃদ্ধি কৰি ৰান্ধনিঘৰ প্ৰকল্পটোৱে ৰাইজৰ মাজত খাদ্য যোগান আৰু আহাৰ সম্পৰ্কীয় সজাগতা বৃদ্ধিৰে খাদ্য সুৰক্ষা সুনিশ্চিত কৰিব। প্ৰকল্পটোত এহেজাৰ ৭০০ বৰ্গ মিটাৰৰ এটা ৰান্ধনিঘৰৰ লগতে প্ৰশাসক, জ্যেষ্ঠ প্ৰবন্ধকৰ আৱাস আৰু প্ৰশিক্ষণ ভৱনৰ দৰে সুবিধা থাকিব বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা, চিকিৎসা মন্ত্ৰী প্ৰশান্ত ফুকন, পৰিবহণ মন্ত্ৰী যোগেন মহন, বিধায়ক চক্ৰধৰ গগৈকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০

ৰাজ্য চৰকাৰে কালি এখন অধিসূচনা যোগে শীৰ্ষ প্ৰশাসনিয় পৰ্যায়ত পদৰ সালসলনি ঘটাইছে। এই অনুসৰি মুখ্য সচিব ড০ ৰবি কোটাক বাণিজ্য উদ্যোগ, ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ অতিৰিক্ত দায়িত্বৰ পৰা অব্যাহতি দিয়া হৈছে। অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্ত্তীক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব হিচাপে বদলি কৰা হৈছে। তেওঁ পূৰ্বৰ দৰে দক্ষতা, নিয়োগ, উদ্যমিতা, সাংস্কৃতিক পৰিক্ৰমা, ৰূপান্তৰ আৰু উন্নয়ন বিভাগ তথা চতুৰ্থবৰ্গৰ ৰাজ্যিক নিযুক্তি আয়োগৰ অধ্যক্ষৰ দায়িত্বত থাকিব। একেদৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব জে বি এক্কাক উদ্যোগ আৰু বাণিজ্য বিভাগলৈ বদলি কৰা হৈছে। লাচিত বৰফুকন পুলিচ একাডেমীৰ সঞ্চালক দিগন্ত বৰাক গৃহ আৰু ৰাজনৈতিক বিভাগৰ আয়ুক্ত সচিব পদত নিযুক্তি দিয়া হৈছে। দিগন্ত বৰা পৰ্যটন বিভাগৰ আয়ুক্ত সচিবৰ দায়িত্বতো থাকিব।

০০০০০০

ব্ৰহ্মপুত্ৰ নদীৰ খনন জৰীপৰ কাম ডিব্ৰুগড় জিলাৰ বগীবিলত আৰম্ভ কৰা হৈছে। ভাৰতীয় অন্তৰ্দেশীয় জলপথ কৰ্তৃপক্ষ আই ডব্লিউ এ আইৰ এটা দলে কালি এই কাম আৰম্ভ কৰিছে। জৰীপৰ দলটোৱে নদীখনৰ ৩০০ মিটাৰ দৈৰ্ঘ্যৰ এটা গুৰুত্বপূৰ্ণ অংশ তাৎক্ষণিক খনন জৰীপৰ বাবে চিহ্নিত কৰিছে। বগীবিলৰ এই বিশেষ অংশটো নদী পৰিবহণৰ বাবে ক্ৰমান্বয়ে প্ৰত্যাহ্বানজনক হৈ পৰাৰ ফলত ফেৰী সেৱা, প্ৰমোদতৰী পৰিচালনা আৰু

মালবাহী জাহাজৰ পৰিচালনাগত অসুবিধাৰ সৃষ্টি হৈছে। আই ডব্লিউ এ আইৰ সূত্ৰমতে বৰ্তমানৰ জৰীপ সম্পূৰ্ণ হোৱাৰ পাছত প্ৰকৃত খননকাৰ্য আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। জৰীপে সঠিক গভীৰতালৈ খননকাৰ্যৰ প্ৰয়োজনীয়তাৰ লগতে আঁতৰাব লগীয়া পলসৰ পৰিমাণো নিৰ্ধাৰণ কৰিব। উল্লেখযোগ্য যে ২০১৭ চনত সেই সময়ৰ মুখ্যমন্ত্ৰী আৰু বৰ্তমানৰ কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই খননকাৰ্য জৰীপৰ ঘোষণা কৰিছিল। ৭ বছৰৰ অন্তত এই প্ৰকল্প পুনৰুজ্জীৱিত কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি ডিব্ৰুগড় জিলাৰ চাবুৱা ৰাজহচক্ৰৰ অন্তৰ্গত বালিজান আৰু বগৰীতলিয়াত ব্ৰহ্মপুত্ৰৰ খহনিয়াৰ ফলত জাহ যোৱা স্থান আৰু জিঅ'বেগ প্ৰযুক্তিৰে নিৰ্মাণ কৰা মথাউৰি পৰিদৰ্শন কৰে। বালিজান নৰ্থ চাহ বাগিছা আৰু বগৰীতলীয়াৰ ব্ৰহ্মপুত্ৰ নদী কাষৰীয়া প্ৰায় ডেৰ কিলোমিটাৰ এলেকা অতি বিপজ্জনক আৰু আন ৩ কিলোমিটাৰ অঞ্চল বিপজ্জনক হিচাপে চিনাক্ত কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল আৰু ৰাজ্যৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই অঞ্চলটো পৰিদৰ্শন কৰি তৎকালীনভাৱে খহনীয়া প্ৰতিৰোধৰ বাবে সংশ্লিষ্ট বিভাগক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। অঞ্চলটোৰ বহু লোকে মন্ত্ৰী দুগৰাকীক শীঘ্ৰে খহনীয়া ৰোধৰ ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনায়।

উল্লেখযোগ্য যে, চলিত বৰ্ষৰ প্ৰথমটো বানত ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলত ব্যাপক ৰূপ ধাৰণ কৰাৰ লগতে বহু সা-সম্পত্তি ধ্বংস হৈছে। পৰৱৰ্তী সময়ত বালিজান, বিন্ধাকতা, বগৰীতলিয়া আদি অঞ্চলত খহনীয়াই তীব্ৰ ৰূপধাৰণ কৰি জনসাধাৰণৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে।

০০০০০০

ডিমৌ গ্ৰাম্য চিকিৎসালয়ৰ সৰ্প দংশনৰ চিকিৎসা বিশেষজ্ঞ ডাঃ সুৰজিৎ গিৰিৰ নেতৃত্বত কালি চিকিৎসকৰ এটা দলে বিষনাশক ব্যৱহাৰ নকৰাকৈয়ে এগৰাকী সৰ্প দংশনৰ ৰোগীক আৰোগ্য কৰিবলৈ সমৰ্থ হৈছে। বিষাক্ত শংখচূড় সাপে দংশন কৰা ৰোগী এগৰাকীৰ চিকিৎসাৰ ক্ষেত্ৰত চিকিৎসকলৰ দলটোৱে ৰোগীগৰাকী গৰ্ভৱতী হোৱাৰ কাৰণে বিষনাশক ব্যৱহাৰ কৰিব পৰা নাছিল। বিষনাশক ব্যৱহাৰ নকৰাকৈ অন্যান্য আনুষংগিক চিকিৎসা প্ৰণালীৰ ব্যৱহাৰেৰে মৰাণ খুমটাই চাহ বাগিচাৰ ৰোগীগৰাকীক আৰোগ্য কৰা ঘটনাটো দেশৰ সৰ্প দংশনৰ চিকিৎসাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ বুলি অভিহিত কৰা হৈছে।

০০০০০০

দৈনিক জনমভূমি কাকতৰ প্ৰাক্তন সম্পাদক, জ্যেষ্ঠ সাংবাদিক উৎপল বৰুৱাক অসম চৰকাৰে ৰাজ্যিক তথ্য আয়ুক্ত হিচাপে নিযুক্তি দিছে। প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত মুখ্য তথ্য আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা তথ্য আয়োগত ৰাজ্যিক তথ্য আয়ুক্তৰ এটা পদ খালী হৈ আছিল। ইয়াৰ পূৰ্বে এই পদবীত জ্যেষ্ঠ সাংবাদিক ড০ সমুদ্ৰ গুপ্ত কাশ্যপেও কাৰ্যনিৰ্বাহ কৰিছিল। তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত অভিজ্ঞতা সম্পন্ন তথা প্ৰশাসনিয় জ্ঞান থকা সাংবাদিককো তথ্য আয়ুক্ত হিচাপে নিয়োগৰ ব্যৱস্থা আছে আৰু সেই সূত্ৰেই সাংবাদিকগৰাকীয়ে এই সুবিধা লাভ কৰিছে।

০০০০০০

সমাপ্ত